অসম আদিত্য

■ ডিব্ৰুগড়, শনিবাৰ, ১ মাৰ্চ, ২০২৫/১৬ ফাগুন, ১৯৪৬ শক ■

## কলেজৰ সৰ্বাংগীণ উন্নতিৰ বাবে প্ৰয়োজনীয় সাহায্য প্ৰদানৰ প্ৰতিশ্ৰুতি ঃ শৈক্ষিক ভৱনৰ দ্বিতীয় মহলা উদ্বোধন

# শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনক সম্বৰ্ধনা ডিব্ৰু মহাবিদ্যালয়ৰ



ডিব্ৰুগড়, ২৮ ফেব্ৰুৱাৰী ঃ আজি ডিব্ৰু মহাবিদ্যালয়ৰ চতুষ্কোণ প্ৰাংগণত অসম চৰকাৰৰ মন্ত্ৰীসভাৰ শক্তি, দক্ষতা বিকাশ, আৰু চিকিৎসা শিক্ষা বিভাগৰ নৱনিযুক্ত কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনক মহাবিদ্যালয়ৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে উষ্ম আদৰণি আৰু সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এখনি সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ হিমাদ্ৰী শৰ্মাই আঁত ধৰা উক্ত সভাখনত উপস্থিত থাকে মহাবিদ্যালয়খনৰ অধ্যক্ষ, উপাধ্যক্ষা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, মন্ত্ৰী প্ৰশান্ত ফুকন, অধ্যাপক-অধ্যাপিকা মণ্ডলী, কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকল। সভাৰ আৰম্ভণিতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমায়ে সভাত উপস্থিত আটাইকে উদ্দেশ্য কৰি আদৰণী ভাষণ প্ৰদান কৰে আৰু বিগত বৰ্ষত মহাবিদ্যালয়খনে লাভ কৰা শৈক্ষিক অগ্ৰগতি সম্পৰ্কেও আলোকপাত কৰে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড০ প্ৰদীপ কুমাৰ বৰুৱাই আৰ্থিক দৈন্যতাৰ মাজতো মহাবিদ্যালয়খনে কিদৰে উন্নতিৰ পথত অগ্ৰসৰ হৈছে সেই সম্বন্ধে নিজৰ অনুভৱ ব্যক্ত কৰে। উপাধ্যক্ষা ড০ অদিতি বৰুৱাই সকলোকে উদ্দেশ্যি এক চমু বক্তৃতা প্ৰদান কৰে। তাৰ পিছত মহাবিদ্যালয়ৰ অধ্যক্ষকে আদি কৰি ডিব্ৰু মহাবিদ্যালয় শিক্ষক গোট, কৰ্মচাৰী গোট, ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা, অসমীয়া বিভাগ, সংস্কৃত বিভাগ, অৰ্থনীতি বিজ্ঞান বিভাগ আৰু শিক্ষাতত্ত্ব বিভাগৰ তৰফৰ পৰা মন্ত্ৰীগৰাকীক আদৰণি আৰু সম্বৰ্ধনা জনোৱা হয়। অধ্যক্ষয়ে এখনি ফুলাম গামোচা আৰু এখনি সম্বৰ্ধনা-পত্ৰৰে আদৰণি জনায়। সম্বৰ্ধনা-পত্ৰখন পাঠ কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ মৌচুমী দত্তই। ডিব্ৰু মহাবিদ্যালয় শিক্ষক গোটৰ তৰফৰ পৰা শিক্ষক গোটৰ সভাপতি ড০ মনোজ শৰ্মাই এখনি ফুলাম গামোচা আৰু সম্পাদক ড০ জয়ন্ত সাউদে এখনি সম্বৰ্ধনা-পত্ৰৰে মন্ত্ৰীগৰাকীক আদৰণি জনায়। মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ তৰফৰ পৰা দিব্যজ্যোতি গগৈয়ে এখনি সম্বৰ্ধনা-পত্ৰৰে আদৰণি জনায়। ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সাধাৰণ সম্পাদক অভিজিত সোনোৱালে এখনি ফুলাম গামোচাৰে আদৰণি জনায়। অসমীয়া বিভাগৰ তৰফৰ পৰা ড০ ডলী চুতীয়াই এখনি ফুলাম গামোচাৰে আদৰণি জনায়। সংস্কৃত বিভাগৰ তৰফৰ পৰা বিভাগীয় ছাত্ৰ প্ৰত্যুষ সন্দিকৈ আৰু মানৱ চাংচা গগৈয়ে এখনি ফুলাম গামোচা আৰু এটি কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। তাৰ পিছত অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড০ কমলেন্দু শইকীয়া আৰু শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা মনালিছা বৰগোহাঁয়ে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। কাৰ্যসূচীৰ অন্তত চাৰিবাৰকৈ অৱধাৰিতভাৱে ডিব্ৰুগড় সমষ্টিৰ বিধায়কৰ আসন অলংকৃত কৰিবলৈ সক্ষম হোৱা জনতাৰ বিধায়ক তথা বৰ্তমানৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে এক সাৰুৱা বক্তব্য প্ৰদান কৰে। তেওঁ কথা প্ৰসংগত ছাত্ৰ-ছাত্ৰীসকলক যিকোনো বিষয়ত নিজৰ দক্ষতা অৰ্জনৰ বাবে আগ্ৰহী হ'বলৈ উৎসাহিত কৰে। তেওঁ মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতিৰ বাবে প্ৰয়োজনীয় সাহায্য প্ৰদান কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে। উল্লেখ্য যে আজিৰ এই শুভক্ষণত মহাবিদ্যালয়ৰ নিজা পুঁজিৰে নিৰ্মিত শৈক্ষিক ভৱন 'চি'ৰ দ্বিতীয় মহলাটো সন্মানীয় মন্ত্ৰী মহোদয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শেষত ড০ হিমাদ্ৰী শৰ্মাই অনুষ্ঠানটিৰ লগত জড়িত আটাইলৈ শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানটিৰ সমাপ্তি ঘোষণা কৰে।